# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-05-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

***- - - - - - - - - - - - - -***

কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে পুনৰ ৩ লাখ ৭৬ হাজাৰ প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত বাসগৃহৰ অনুমোদন জনাইছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা জানিবলৈ দিয়ে। অসমৰ কৃষিভূমি পৰীক্ষাৰ বাবে কেন্দ্ৰীয় চৰকাৰে কৃষি বিজ্ঞানীৰ ৫৬ টা দল গঠন কৰিব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে ৰাজ্য চৰকাৰৰ বিষয়াসকলৰ সৈতে বিজ্ঞানীসকলে আলোচনা কৰিব আৰু কি মাটিত কি খেতি কৰিলে ভাল হ'ব সেই সন্দৰ্ভত কৃষকক অৱগত কৰিব। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ অব্যাহত থাকিব বুলিও তেওঁ লগতে মন্তব্য কৰে। এই অনুষ্ঠানতে মন্ত্ৰীগৰাকীয়ে **লখিমী মিস্ত্ৰী** আঁচনিৰ লগতে ২১ টা জ্ঞান কেন্দ্ৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু কৃষি বিভাগৰ কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা অক্টোবৰৰ পৰা বছা বছা কেইখনমান জিলাৰ হিতাধিকাৰীৰ মাজত ৰাজ সাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ বিতৰণ কৰা হ'ব। সেই অনুসৰি হিতাধিকাৰীসকলে প্ৰতিকেজি মচুৰ দাইল ৬৯ টকা, চেনি ৩৮ টকা আৰু নিমখ ১০ টকা দৰত লাভ কৰিব। অনুষ্ঠানত কৃষি মন্ত্ৰী অতুল বৰা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে।

ooooo

গোলাঘাট জিলাৰ বোকাখাট নাট্য মন্দিৰত উচ্চ ৰক্তচাপ সন্দৰ্ভত স্বাস্থ্য সজাগতা সভা আৰু বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। বোকাখাট জ্যেষ্ঠ নাগৰিক সন্মিলন আৰু স্বেচ্ছাসেৱী সংগঠন **সহায় বাদুলিপাৰ**ৰ উদ্যোগত বোকাখাট মহকুমা সাংবাদিক সংস্থাৰ সহযোগত এই শিবিৰৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে, উচ্চ ৰক্তচাপৰ ক্ষতিকাৰক দিশ আৰু ইয়াৰ প্ৰতিৰোধ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱস বিষয়বস্তু হৈছে- **উচ্চ ৰক্তচাপৰ সঠিক নিৰূপন, ইয়াৰ নিয়ন্ত্ৰণ আৰু দীৰ্ঘজীৱি হোৱা**। বেচৰকাৰী সংস্থা ৱৰ্ল্ড হাইপাৰটেনচন লীগৰ উদ্যোগত ২০০৫ চনৰ পৰা বিশ্ব উচ্চ ৰক্তচাপ দিৱস পালন কৰি অহা হৈছে।

ooooo

শিৱসাগৰৰ দিচাংমুখ লিগিৰীবাৰীত আজিৰ পৰা ৪৫ দিনীয়া কাৰ্যসূচীৰে হস্ততাত বস্ত্ৰশিল্পৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰনালয়ৰ অধীনৰ লাহদৈগড়ৰ কেন্দ্ৰীয় মূগা-এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত আৰু শিৱসাগৰৰ এৰী-মূগা কৃষক উৎপাদক কোম্পানীৰ সহযোগত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত অঞ্চলটোৰ ২৯ গৰাকী শিপিনীক হস্ততাঁত বস্ত্ৰশিল্পৰ বয়ন, প্ৰাকৃতিক ৰঙৰ ব্যৱহাৰ আৰু চানেকি প্ৰস্তুতকৰণকে ধৰি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। সমল ব্যক্তি হিচাপে ৰবিনা গাম আৰু জ্ঞান টায়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰিব।

ooooo

ডিব্ৰুগড় চহৰৰ মাজমজিয়াত থকা চৌকিদিঙি খেলপথাৰত চলি থকা উন্নীতকৰণৰ কাম তথা ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত পৰৱৰ্তী তিনি মাহলৈ খেলপথাৰখনত সকলো ধৰণৰ অনুষ্ঠান, মেলা আদিৰ উপৰি যিকোনো ৰাজহুৱা বা ব্যক্তিগত সমাবেশ নিষিদ্ধ কৰা হৈছে। পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব বুলি জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাত প্ৰকাশ কৰা হৈছে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰেচন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ প্ৰচাৰ কৰিব। কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

বিশিষ্ট সাংবাদিক, মানৱাধিকাৰ কৰ্মী পৰাগ কুমাৰ দাসৰ ত্ৰিংশতিতম মৃত্যু দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। মানৱাধিকাৰ সংগ্ৰাম সমিতিয়ে আজিৰ দিনটো ছহিদ দিৱস হিচাপে পালন কৰাৰ লগতে পৰাগ স্মৰণ শীৰ্ষক এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। গুৱাহাটীৰ ৰাজগড়ত স্থাপন কৰা পৰাগ কুমাৰ দাসৰ প্ৰতিমূৰ্তিত আজি মাল্যাৰ্পণ কৰি বিভিন্নজনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাব, গোলাঘাট মিডিয়া ফ'ৰামেও পৰাগ কুমাৰ দাসৰ মৃত্যু বাৰ্ষিকী পালন কৰে।

মৃত্যু বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি পৰাগ কুমাৰ দাস সতীৰ্থ মঞ্চই কাইলৈ বিশিষ্ট চিন্তাবিদ, ইতিহাসবিদ, অধ্যাপক উদয়াদিত্য ভঁৰালীক পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা প্ৰদান কৰিব।

ooooo

সমাপ্ত